# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 07-12-2025

**Time :** 1205 Hrs.

## *Assamese Midday Bulletin*

## HEADLINE

১। সাহিত্যিক, সাংবাদিক হোমেন বৰগোহাঞিৰ জন্মবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি কটন বিশ্ববিদ্যালয়ত ২০২৫ বৰ্ষৰ সাহিত্যিক পেঞ্চন আৰু বঁটা প্ৰদান।

২। আমেৰিকান সংগীত শিল্পী পোষ্ট মেলনৰ সংগীতানুষ্ঠানৰ পৰিপ্ৰেক্ষিতত যান-বাহন চলাচলৰ ক্ষেত্ৰত মহানগৰ আৰক্ষীৰ কেতবোৰ নীতি নিৰ্দেশনা জাৰি।

৩। ইণ্ডিগ' এয়াৰলাইনছৰ সংকটৰ বাবে বৰঝাৰকে ধৰি দেশৰ বিভিন্ন বিমান বন্দৰত সৃষ্টি হোৱা অচলাৱস্থা দূৰ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ কঠোৰ ব্যৱস্থা।

*আৰু*

৪। আজিৰে পৰা ১৭ বছৰ অনুৰ্ধৰ চাহ জনজাতি আৰু আদিৱাসী ফুটবল প্ৰতিযোগিতা।

oooooo

অসমৰ জাতীয় জীৱনৰ অন্যতম পুৰোধা, বিশিষ্ট সাহিত্যিক, সাংবাদিক হোমেন বৰগোহাঁঞিৰ আজি জন্মবাৰ্ষিকী। বিশিষ্ট কথাশিল্পীগৰাকীৰ জন্মবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি আজি কটন বিশ্ববিদ্যালয়ত আয়োজিত এটা অনুষ্ঠানত ২০২৫ বৰ্ষৰ সাহিত্যিক পেঞ্চন আৰু বঁটা প্ৰদান কৰা হৈছে। এই অনুষ্ঠানত মন্ত্ৰী ডাঃ ৰণোজ পেগু মুখ্য অতিথি হিচাপে উপস্থিত আছে। এইবাৰ মুঠ ১৮ গৰাকী সাহিত্যিকে সাহিত্য বঁটা লাভ কৰাৰ লগতে ১০ গৰাকী সাহিত্যিকলৈ সাহিত্যিক পেঞ্চন আগবঢ়োৱা হৈছে।

২০২৫ বৰ্ষৰ সাহিত্য বঁটা লাভ কৰা সকলৰ ভিতৰত ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী, ড° সূৰ্যকান্ত হাজৰিকা, কিশোৰী মোহন দাস, অৰ্পণা কোঁৱৰ, আশুতোষ দাস, গুৰমাইল সিং, সুৱৰ্ণা শইকীয়াকে ধৰি আন কেইবাগৰাকী সাহিত্যিক আছে।

সাহিত্যিকসকলক বঁটাৰ লগতে ৫০ হাজাৰকৈ টকা প্ৰদান কৰা হ'ব। ইপিনে, সাহিত্য পেঞ্চন লাভ কৰাসকলে প্ৰতিমাহে ৮ হাজাৰ টকাকৈ লাভ কৰিব।

ooooo

গুৱাহাটীত কাইলৈ হ'বলগীয়া প্ৰখ্যাত আমেৰিকান সংগীত শিল্পী পোষ্ট মেলনৰ সংগীতানুষ্ঠানৰ পৰিপ্ৰেক্ষিতত মহানগৰ আৰক্ষীয়ে যান-বাহন চলাচলৰ ক্ষেত্ৰত কেতবোৰ নীতি নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি ৰাষ্ট্ৰীয় ঘাইপথৰ কেইবাটাও স্থানত যান-বাহন ৰখোৱাত বাধা আৰোপ কৰাৰ লগতে বেলতলা, ছয়মাইল আৰু খানাপাৰাৰ আশে-পাশে যান-বাহন ৰখোৱাৰ বাবে আৰক্ষীয়ে সু-নিৰ্দিষ্ট ব্যৱস্থা গ্ৰহণ কৰিছে বুলি মহানগৰ আৰক্ষীয়ে কালি সংবাদমেলত উল্লেখ কৰে।

জনসাধাৰণৰ সুৰক্ষা আৰু মহানগৰীখনৰ যান-বাহন চলাচলৰ ক্ষেত্ৰত অসুবিধা হ্ৰাস কৰিবলৈ এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি মহানগৰ আৰক্ষীয়ে প্ৰকাশ কৰিছে।

00000

ৰাজ্যত ২০২৪ বৰ্ষত ৪১ হাজাৰ ৭১৩ জন লোকৰ দেহত কৰ্কট ৰোগৰ সংক্ৰমণ ধৰা পৰিছে। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে এই কথা প্ৰকাশ কৰিছে। লোকসভাৰ চলিত শীতকালীন অধিৱেশনৰ কেন্দ্ৰীয় স্বাস্থ্য ৰাজ্য মন্ত্ৰী প্ৰতাপ ৰাও যাদৱে প্ৰকাশ কৰা মতে ২০২৪ বৰ্ষত অসমত ৪১ হাজাৰ ৭১৩ জন লোক কৰ্কট ৰোগত আক্ৰান্ত হৈছে। ২০২৩ বৰ্ষতো অসমত আনুমাণিক ৪০ হাজাৰৰো অধিক লোক এই ৰোগত আক্ৰান্ত হোৱা বুলি স্বাস্থ্যমন্ত্ৰালয়ে তথ্যত প্ৰকাশ পাইছে। আই চি এম আৰৰ ৰাষ্ট্ৰীয় কৰ্কট পঞ্জীয়ন প্ৰকল্পৰ তথ্যৰ উদ্ধৃতিৰে স্বাস্থ্য মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে অসমত বছৰি গড়ে প্ৰায় ৪০ হাজাৰকৈ লোক মুখৰ কৰ্কট ৰোগত আক্ৰান্ত হয়। ৰাজ্য চৰকাৰে কৰ্কট ৰোগৰ সংক্ৰমণ ৰোধ কৰাৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ অংশ হিচাপে জৰায়ুৰ কৰ্কট ৰোগ ধৰা পেলোৱাৰ বাবে স্বাস্থ্য বিভাগে চাৰ্ভিকেল কেন্সাৰ স্ক্ৰিনিং শিবিৰো আয়োজন কৰিছে।

00000

কেন্দ্ৰীয় চৰকাৰে ব্যক্তিগত বিমান পৰিবহন সংস্থা ইণ্ডিগ' এয়াৰলাইনছৰ সংকটৰ বাবে বৰঝাৰকে ধৰি দেশৰ বিভিন্ন বিমান বন্দৰত সৃষ্টি হোৱা অচলাৱস্থা দূৰ কৰাৰ বাবে কঠোৰ ব্যৱস্থা লৈছে। অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ে আজি নিশা ৮ বজাৰ ভিতৰত বাতিল হোৱা বিমানৰ টিকটৰ ধন যাত্ৰীসকলক ঘূৰাই দিয়াৰ নিৰ্দেশ দিছে। নিৰ্দেশটোত লগতে বিমান পৰিবহণ সংস্থাটোৱে ৪৮ ঘণ্টাৰ ভিতৰত যাত্ৰীৰ বয়বস্তুবোৰো ঘূৰাই দিব লাগিব বুলি উল্লেখ কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে ইণ্ডিগ'ত দেখা দিয়া সংকটৰ সুযোগ লৈ অন্য বিমান পৰিবহন সংস্থাবোৰে টিকটৰ দাম বৃদ্ধি কৰা সন্দৰ্ভতো নিৰ্দেশনা জাৰি কৰিছে। মন্ত্ৰালয়ে বিমান পৰিবহণ সংস্থাবোৰৰ টিকটৰ ভাৰাৰ নিৰিখ স্থিৰ কৰিছে। সেই অনুসৰি ৫০০ কিলোমিটাৰ পৰ্যন্ত বিমান যাত্ৰাৰ বাবে সংস্থাবোৰে যাত্ৰীৰ পৰা চাৰে সাত হাজাৰ টকাহে ভাৰা আদায় কৰিব পাৰিব। একেদৰে ৫০০ৰ পৰা এহেজাৰ কিলোমিটাৰলৈকে ১২ হাজাৰ টকা, এহেজাৰৰ পৰা ডেৰ হাজাৰ কিলোমিটাৰলৈকে ১৫ হাজাৰ আৰু ১৫ হাজাৰ কিলোমিটাৰতকৈ অধিক দূৰত্বৰ বাবে সৰ্বাধিক ১৮ হাজাৰ টকাৰ বিমান ভাৰা স্থিৰ কৰা হৈছে। অৱশ্যে বিমানৰ বিজনেছ ক্লাছৰ যাত্ৰীৰ বাবে এই নিৰিখ প্ৰযোজ্য নহ'ব।

0000000

গুৱাহাটীৰ আনন্দ নগৰৰ পূৰ্বৰংগ থিয়েটাৰত আজিৰে পৰা তিনিদিনীয়াকৈ একাদশ পূৰ্বৰংগ ৰাষ্ট্ৰীয় নাট সমাৰোহ অনুষ্ঠিত হ'ব। আজি সন্ধিয়া ছয় বজাত সমাৰোহ মুকলি কৰা হ'ব আৰু চাৰে ছয় বজাত সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গক শ্ৰদ্ধাৰ্ঘ নিবেদন কৰা হ'ব। মৃণাল কুমাৰ বৰাই ৰচনা আৰু গুণাকৰ দেৱগোস্বামীয়ে পৰিচালনা কৰা **এটা সেউজীয়া দিশ** নামৰ নাটকেৰে সমাৰোহ আৰম্ভ হ'ব। পৰহিলৈ এই একেখন নাটক মঞ্চস্থ কৰি সমাৰোহ সামৰণি মৰা হ'ব।

00000

ৰাজ্যৰ কৃষিক্ষেত্ৰৰ সম্ভাৱনা আৰু কৃষকলৈ সা-সুবিধা সন্দৰ্ভত কালি আকাশবাণী গুৱাহাটীৰ **দৃষ্টিপাত** অনুষ্ঠানত এটা আলোচনা প্ৰচাৰ কৰা হয়। এই অনুষ্ঠানত অসম বীজ আৰু জৈৱিক প্ৰমাণিকৰণ অভিকৰণৰ প্ৰাক্তন সঞ্চালক তথা প্ৰাক্তন যুটীয়া কৃষি সঞ্চালক মৌচম হাজৰিকা আৰু সোণাপুৰ চক্ৰৰ কৃষি উন্নয়ন বিষয়া সুপ্ৰিয়া বৰাই অংশ লৈ কৃষি ক্ষেত্ৰৰ বিভিন্ন উন্নয়নমূলক দিশ আৰু কৃষকলৈ আগবঢ়োৱা সা-সুবিধা সম্পৰ্কে অৱগত কৰে। কৃষি প্ৰযুক্তিৰ বিকাশে ক্ৰমাগতভাৱে ৰাজ্যৰ কৃষি ক্ষেত্ৰলৈ অনা পৰিৱৰ্তন সন্দৰ্ভতো তেওঁলোকে আলোকপাত কৰে।

প্ৰাকৃতিক দুৰ্যোগ, বন্যপ্ৰাণীৰ সৈতে সংঘাত আৰু অন্যান্য বিভিন্ন সমস্যা নেওচি উন্নতজাতৰ শস্য ৰোপনেৰে কিদৰে স্বাৱলম্বী হ'ব পাৰি এই বিষয়েও তেওঁলোকে কৃষক ৰাইজক অৱগত কৰে। তদুপৰি কৃষিৰ বিভিন্ন সা-সুবিধাসমূহ লাভ কৰাৰ বাবে কিদৰে স্থানীয় পৰ্যায়ত যোগাযোগ কৰিব পাৰি এই বিষয়েও তেওঁলোকে জানিবলৈ দিয়ে। এই অনুষ্ঠানত চাৰিগৰাকী প্ৰগতিশীল কৃষকে নিজৰ মনৰ ভাৱ আৰু অভিজ্ঞতা বিনিময় কৰে। এই অনুষ্ঠান আকাশবাণী গুৱাহাটীৰ ইউ টিউব চেনেল যোগেও শুনিবলৈ পাব।

ooooo

আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন বাঁহীবাদক দীপক শৰ্মাৰ কৰ্মৰাজিক সুঁৱৰি আজি গুৱাহাটীৰ অম্বিকাগিৰি নগৰত শিল্পীগৰাকীৰ বাসগৃহত এটা সুৰীয়া শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। বিশিষ্ট বাঁহীবাদকজনৰ অপূৰ্ব কৃৰ্তিৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন কৰি এই অনুষ্ঠানত ১২ ঘণ্টীয়া অখণ্ড বাঁহীবাদন কৰা হ'ব। পুৱা ৮ বজাৰ পৰা নিশা ৮ বজালৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বাঁহীবাদকসকলে প্ৰয়াত শিল্পীগৰাকীলৈ শ্ৰদ্ধা জনাই বাঁহীবাদন কৰিব।

ooooo

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰীত জিলা আৰু ছেছন ন্যায়াধীশৰ আদালতৰ ছটা পদৰ বাবে আজি লিখিত পৰীক্ষা অনুষ্ঠিত হৈছে। এই পৰীক্ষা ৪১০ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হৈছে। কটকটীয়া নিৰাপত্তাৰ মাজত পুৱা চাৰে ৯ বজাৰ পৰা এই পৰীক্ষা অনুষ্ঠিত হৈছে।

ooooo

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশ মৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত শ্ৰীভূমি জিলাত ৰূপায়িত বিভিন্ন উন্নয়নমূলক আঁচনি সন্দৰ্ভত জিলা কৃষি বিষয়া অৰূপানন দত্তৰ  সৈতে এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিছে আমাৰ শ্ৰীভূমিৰ সংবাদদাতা জাকাৰিয়া ৰহমানে। অনুষ্ঠানটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব।

ooooo

চিৰাং জিলাৰ বিজনীত অহা ৯ জানুৱাৰীৰ পৰা হ'বলগীয়া বড়ো সাহিত্য সভাৰ ৬৩ সংখ্যক বাৰ্ষিক অধিবেশনত অংশ ল'বলগীয়া চৰকাৰী কৰ্মচাৰী আৰু শিক্ষকসকলৰ বাবে অসম চৰকাৰে বিশেষ নৈমিত্তিক ছুটি মঞ্জুৰ কৰিছে। সাধাৰণ প্ৰশাসন বিভাগে জাৰি কৰা নিৰ্দেশনা অনুসৰি ৯ আৰু ১০ জানুৱাৰীত চৰকাৰী কৰ্মচাৰীসকলে  এই ছুটি লাভ কৰিব। উল্লেখযোগ্য যে ৯ জানুৱাৰীৰ পৰা ১১  জানুৱাৰীলৈ অধিবেশন অনুষ্ঠিত হব।

ooooo

১৭ বছৰ অনুৰ্ধৰ চাহ জনজাতি আৰু আদিৱাসী ফুটবল প্ৰতিযোগিতালানি আজিৰে পৰা আৰম্ভ হ'ব। অহা ৭ জানুৱাৰীলৈকে চলিবলগীয়া মাহজোৰা প্ৰতিযোগিতাখনৰ আজি বিয়লি তিনিচুকীয়া জিলাৰ ডুমডুমাত হ'বলগীয়া আৰম্ভণি অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। প্ৰতিযোগিতাত ৰাজ্যৰ ২৯ খন জিলাৰ ৮৯টা বিধানসভা সমষ্টিৰ এহেজাৰৰো অধিক দলে অংশগ্ৰহণ কৰিব। এই প্ৰতিযোগিতা চাৰিটা পৰ্যায়ত অনুষ্ঠিত হ'ব। সাতদিনীয়া বিধান সভা সমষ্টিৰ পৰ্যায়, ৫দিনীয়া জিলা পৰ্যায়, চাৰিদিনীয়া আঞ্চলিক পৰ্যায়ৰ পাছত তিনিদিনীয়া ৰাজ্যিক পৰ্যায়ত প্ৰতিযোগিতাখন অনুষ্ঠিত হ'ব। এইলানি প্ৰতিযোগিতাই জনগোষ্ঠীটোৰ খেলুৱৈসকলৰ সুপ্ত প্ৰতিভা বিকাশ কৰাত সহায় কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰিছে।

০০০০০

**সমাপ্ত**